প্ৰেছ বাৰ্তা
২২/১০/২০২৪
গোলাঘাট

অসম পঞ্চায়ত সংবিধান অধিনিয়ম ১৯৯৫ ৰ ১২ সংবিধান বিধি ১৪/০৮/২০২৪ তাৰিখৰ এছ.ই.চি. ০১/২০২৩/ অংশ/৬ আৰু ১৪/১০/২০২৪ ৰ এছ.ই.চি. ০১/২০২৩/ অংশ/৬০ ৰ আদেশৰ আধাৰত গোলাঘাট জিলাত পঞ্চায়ত ৰাজ অনুষ্ঠান ( Panchayat Raj Institution)ৰ খছৰা ভোটাৰ তালিকা প্ৰস্তুত কৰা কাম সম্পূৰ্ণ কৰা হৈছে । আজি ইংৰাজী ২২/১০/২০২৪ তাৰিখে গোলাঘাট জিলা আয়ুক্ত কাৰ্যলয়ৰ পৰা এই খছৰা ভোটাৰ তালিকা প্ৰকাশৰ জাননী জাৰি কৰা হৈছে। অসম পঞ্চায়ত ৰাজ অনুষ্ঠান ( Panchayat Raj Institutions) ৰ খছৰা ভোটাৰ তালিকা প্ৰকাশৰ প্ৰথম পৰ্য্যায়ত ২৯/০৯/২০২৩ তাৰিখে প্ৰকাশ পোৱা পঞ্চায়তৰ ভোটাৰ তালিকাত ৮/০২/২০২৪ তাৰিখে প্ৰকাশ পোৱা অসম বিধানসভাৰ ভোটাৰ তালিকাত নাম থকা যোগ্য ভোটাৰৰ নাম সন্নিৱিষ্ট কৰি প্ৰস্তুত কৰা হৈছে । দ্বিতীয় পৰ্য্যায়ত, অসম চৰকাৰৰ ২০২৪ ৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ পঞ্চায়ত সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়া অনুসৰি পঞ্চায়তৰ সংশোধিত ভোটাৰ তালিকা প্ৰস্তুত কৰি চুৰান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব ।

গোলাঘাট নিৰ্বাচন জিলাৰ ১০ টা জিলা পৰিষদ সমষ্টিত আজি প্ৰকাশিত খছৰা ভোটাৰ তালিকা অনুযায়ী মুঠ ভোটাৰৰ সংখ্যা ৪,৩৮,২২৫ । ইয়াৰে ভিতৰত ২,১৭,৯৫০ গৰাকী পুৰুষ আৰু ২,২০,২৬৭ গৰাকী মহিলা। উল্লেখযোগ্য যে, ২০১৭—১৮ চনৰ ভোটাৰ তালিকাত মুঠ ৩,৮৬,৮৪১ ভোটাৰ আছিল আৰু ২৯/০৬/২০২৩ ত প্ৰকাশিত ভোটাৰ তালিকা মতে ৪,২৫,২৭৯ ভোটাৰ আছিল। আজি প্ৰকাশিত খছৰা ভোটাৰ তালিকাত মুঠ ১৩,৭৭৪ গৰাকী ভোটাৰ নতুনকৈ যোগ হৈছে আৰু মুঠ ৮২৮ গৰাকী ভোটাৰৰ নাম কৰ্তন হৈছে ।

আজি প্ৰকাশ পোৱা খছৰা ভোটাৰ তালিকা অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ Online Electoral Roll Management System ( OERMS) ৰ ৱেবচাইটত ( ফটো বিহীন) উপলব্ধ আছে। ইচ্ছুক সকলে ৱেবচাইটৰ জৰিয়তে এই তালিকাত নিজৰ নাম বিচাৰিব পাৰিব। তদুপৰি উক্ত ভোটাৰ তালিকা গোলাঘাট জিলা প্ৰশাসনৰ ৱেবচাইট ( https://golaghat.assam.gov.in ) ত উপলব্ধ হব।

জিলা আয়ুক্ত
ও জিলা নিৰ্বাচনী বিষয়া
গোলাঘাট ।